# নলবাৰী জিলাৰ সন্ধা গাঁওৰ
# সামাজিক উপাদান সমূহৰ ওপৰত এটি অধ্যয়ন

**নিৰীক্ষক**
স্মিতা শৰ্মা
**(M.A., Mphil, HOD)**
বিভাগীয় মুৰব্বী
শিক্ষা বিভাগ

External
2/5/23

**প্ৰকল্পকাৰ্য জমাকৰ্তা**
চাহিনা নিহাদ
স্নাতক ষষ্ঠ যান্মাষিক
**Paper : EDU-HC-6026**
ৰোল নং ঃ **UA-201-193-0270**
পঞ্জীয়ন নং ঃ **20038446**

শিক্ষা বিভাগ, এম. এন. চি. বালিকা মহাবিদ্যালয়
নলবাৰী

২০২৩ বৰ্ষ

# CONTENTS :


Certificate

Declaration

Achknowledgement

**Chapter - 1**

1) Introduction — Page : 1
2) Title — Page : 1
3) Objectives of the study — Page : 1
4) Operational Defination — Page : 4
5) Delimitation of the study — Page : 4 - 5

**Chapter - 2**

1) Review of related literature — Page : 6 - 7

**Chapter - 3**

1) Method of the study — Page : 8 - 10
2) Tools for data collected — Page : 10
3) Statistical Interpretation of Analysis in the present study, percentaage method was used for analysis of data — Page : 10

**Chapter - 4**

1) Analysis — Page : 11 - 16

**Chapter - 5**

1) Finding — Page : 17
2) Conclusion — Page : 17 - 18
3) Bibliography — Page : 19
4) Questionnaire — Page : 20 - 21
5) Photo Gallery — Page : 22 - 23

# CERTIFICATE

This is to to certify that Sahina Nihad a Student of BA 6th Semester (Hon's), Department of Education, MNC College, Nalbari for the session 2023, has successfully completed her project work entitle "A field study report on social demension of Sondha Village, Nalbari" under my superslision and guidance.

The project work is only her partial fulfillment for the requirement of BA Degree in Education (Hon's) under Gauhati University which she has completed sincerely.

This is her original work for the best of my knowledge.

**Smita Sarma**
Head of the Department
Department of Education
MNC College, Nalbari

# DECLARATION

I am Sahina Nihad a student of BA 6th semester education department MNC college, under Gauhati University, do hereby declare that this project report titled "A field study report on social demension of Sondha Village, Nalbari District" has been submitted as a neccessary part of the BA 6th semester curriculum.

Name - Sahina Nihad
Class - BA 6th Semester
GU Roll No. - UA-201-193-0270
Registration No. - 20038446

// ACKNOWLEDGEMENT

## কৃতজ্ঞতা স্বীকাৰ

সৰ্ব প্ৰথমে মই এই অধ্যয়নটোত মোক সৰ্বতোপ্ৰকাৰে সহায় সহযোগিতাৰ লগতে অনুপ্ৰেৰণা জগোৱা শ্ৰদ্ধাৰ তত্ত্বাৱধায়ক মহোদয়াৰ লগতে শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা স্মীতা শৰ্মা (MA, M.Phil) বাইদেউক মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া ড° গাৰ্গী চক্ৰৱৰ্তী বাইদেউৰ লগতে শিক্ষা বিভাগৰ অধ্যাপিকা/মহোদয়া সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই অধ্যয়নত সমল ব্যক্তি হিচাপে অৰ্থাৎ তথ্য সংগ্ৰহ কৰিবলৈ নমুনা হিচাপে নিৰ্বাচন কৰা ব্যক্তিসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষই এই প্ৰকল্প কাৰ্যৰ প্ৰতিবেদন প্ৰস্তুত কৰোতে যিসকল ব্যক্তিয়ে প্ৰত্যক/পৰোক্ষভাৱে সহায়-সহযোগিতা আগবঢ়ালে তেখেতসকললৈ মোৰ সশ্ৰদ্ধা প্ৰণাম জনালোঁ।

চাহিনা নিহাদ
শিক্ষা বিভাগ
এম.এন.চি. বালিকা মহাবিদ্যালয়

# CHAPTER - 1

# Chapter - 1

## 1. Introduction (পাতনি) ঃ-

সমাজ হৈছে সামাজিক সম্পৰ্কৰে জড়িত ব্যক্তিৰ এটা গোট বা একে স্থানিক বা সামাজিক ক্ষেত্ৰত বসবাস কৰা এক বৃহ্য সামাজিক গোটক বুজোৱা হয়। সমাজ মূলতঃ এনে এক প্ৰণালীক বুজায়, য'ত একাধিক ব্যক্তি একত্ৰিত হৈ কিছুমান নীতি-নিয়ম প্ৰতিষ্ঠা কৰি একেলগে বাস কৰাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰে। মানুহে নিজৰ ব্যক্তিত্ব প্ৰকাশ কৰিবলৈ একগোট হয়, বসবাস কৰে আৰু ইয়াকে আমি সাধাৰণতে সমাজ বুলি জানো।

ব্যক্তিৰ আটাইতকৈ ডাঙৰ গোটটোকে সমাজ বোলে। মানুহে সাধাৰণতে আনৰ লগত সম্পৰ্ক বৰ্তাই ৰাখিব বিচাৰে আৰু একেলগে সংঘবদ্ধভাৱে বসবাস কৰে বাবে মানুহক সামাজিক প্ৰাণী বুলি কোৱা হয়। য'ত মানুহে নিজৰ ধৰ্ম, সংস্কৃতি পৰম্পৰে পৰম্পৰৰ লগত মিলাই ভাতৃবোধৰ বান্ধোন গঠন কৰে তাকে আঁচলতে সমাজ বুলি কোৱা হয়।

মানৱ সভ্যতাৰ পিছৰ পৰাই মানুহে একেলগে গোট খাই সমাজ পাতি বসবাস কৰি আহিছে আৰু সমাজ এখন বিভিন্ন উপাদানেৰে গঠন হয়। অৰ্থাৎ সমাজ এখন বিভিন্ন উপাদানৰ সমষ্টি। কেৱল মানুহ লগ লাগি নহয় বিভিন্ন ধৰণৰ উপাদানবোৰ লগ লাগি এখন পৰিপূৰ্ণ সমাজ গঠন হয়। সামাজিক উপাদান সমূহে বিভিন্ন দিশত বিভিন্ন ধৰণে এখন সুস্থ সবল বিকশিত সমাজ গঠন কৰিবলৈ অৰিহণা যোগাই আহিছে। ধৰ্ম, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, শিক্ষা, অৰ্থনীতি, ৰাজনীতি এই সকলোবোৰ সমাজৰ একো-একোটা উপাদান আৰু সমাজৰ এক অবিচ্ছেদ্য অংগ। এই উপাদান সমূহে সমাজখনক পাৰস্পৰিক সহযোগিতাৰ উপৰিও মানুহৰ সামাজিক আচৰণ সমাজৰ প্ৰতি দায়িত্বশীল কৰি তোলে।

বিভিন্ন সময়ত বিভিন্ন ধৰণে এই সমাজ ব্যৱস্থাটোক জীয়াই ৰখাৰ বাবে বিভিন্ন ধৰণৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। সমাজে সদায় বুজিবলৈ চেষ্টা কৰি আহিছে যে; সমাজৰ উপাদানসমূহ, সামাজিক সম্পৰ্কসমূহ আৰু সামাজিক প্ৰতিষ্ঠান সমূহ সমাজৰ অস্তিত্ব অব্যাহত ৰখাত অৰিহণা যোগাই আহিছে।

## 2. Title of the study (অধ্যয়নৰ শিৰোনাম) ঃ-

নলবাৰী জিলাৰ সন্ধা গাওঁৰ সামাজিক উপাদান সমূহৰ ওপৰত এটি অধ্যয়ন।

## 3. Objectives of the study (অধ্যয়নৰ উদ্দেশ্যসমূহ) ঃ-

ক) সন্ধা গাওঁৰ মানুহবোৰৰ শৈক্ষিক দিশসমূহৰ অধ্যয়ন।

খ) সন্ধা গাওঁৰ মানুহৰ মাজৰ বিভিন্ন ধৰণৰ সংস্কৃতিৰ দিশসমূহৰ অধ্যয়ন।

গ) সন্ধা গাওঁৰ মানুহৰ মাজত সামাজিক দিশসমূহৰ অধ্যয়ন।

ঘ) সন্ধা গাওঁৰ মানুহৰ মাজত ৰাজনৈতিক দিশ সমূহৰ অধ্যয়ন।

ওপৰোক্ত উদ্দেশ্য সমূহৰ বিষয়ে তলত চমুকৈ বহলাই লিখা হ'ল -

## ক) সন্ধা গাওঁৰ মানুহবোৰৰ শৈক্ষিক দিশসমূহৰ অধ্যয়ন ঃ-

শৈক্ষিক দিশসমূহৰ বিষয়ে জানিবলৈ হ'লে আমি প্ৰথমে জানিব লাগিব যে শিক্ষা মানেনো কি? শিক্ষাৰ প্ৰকৃত অৰ্থ হ'ল জ্ঞান আহৰণ কৰা। মানুহৰ আচৰণ আৰু প্ৰবৃত্তি সমূহক যিমানখিনি পাৰি সংশোধন কৰি মানুহক এটি বিশেষ জীৱ হিচাপে পৰিগণিত কৰাটোৱে শিক্ষাৰ উদ্দেশ্য। শিক্ষা মানৱ জীৱনৰ এক প্ৰধান অংগ আৰু ই অবিচ্ছেদ্য। শিক্ষাৰ জৰিয়তে ব্যক্তিয়ে পৰিৱেশৰ লগত সমাযোজন কৰিবলৈ শিকে। সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰ, মানৱ মনৰ সংকীৰ্ণতা আদি শিক্ষাৰ যোগেদি আঁতৰাব পাৰি। দৰাচলতে এজন ব্যক্তিক সভ্য নাগৰিক কৰি গঢ়ি তোলাৰ আঁৰত শিক্ষাই প্ৰধান ভূমিকা পালন কৰে। শিক্ষাৰ সহায়ত ব্যক্তিয়ে সৰ্বাত্মক বিকাশ লাভ কৰিবলৈ সক্ষম হয়। গতিকে মানৱ জীৱনৰ বাবে সিক্ষাক এক অপৰিহাৰ্য্য ধাৰণা তথা দিশ বুলি কোৱা হয়। শিক্ষা জীৱনৰ আৰম্ভৰ পৰা মৃত্যুলৈ চলা এক অবিৰাম উদ্দেশ্যপূৰ্ণ প্ৰক্ৰিয়া।

সংজ্ঞা ঃ-

ক) ঋকবেদৰ মতে, মানুহক আত্মনিৰ্ভৰশীল আৰু নিস্বাৰ্থ স্বৰূপে পঢ়ি তোলাকে শিক্ষা বুলিব পাৰি।"

(According to Rig Veda, "Education is something which makes a man self-reliant and self-less")

সন্ধা গাওঁৰ দিশটোৰ বিষয়ে তলত চমুকৈ লিখা হ'ল ঃ-

সন্ধা গাঁওৰ মানুহবোৰ শিক্ষাৰ ক্ষেত্ৰত অধিক সংখ্যকেই উন্নত। গাঁওখনৰ সন্ধা কৈৰাবাৰ কেইবাখনো চৰকাৰী বিদ্যালয়, ক্ৰমে ১ নং প্ৰাথমিক বিদ্যালয় সন্ধা, সন্ধা অভয়ৰাম পাঠশালা, দক্ষিণ সন্ধা মিলন প্ৰাথমিক বিদ্যালয় লগতে সন্ধা কৈৰাৰ মহেশ্বৰ চতুস্পাঠী এখন সংস্কৃত টোল আছে। সন্ধা মধ্য ইংৰাজী বিদ্যালয়ৰ লগতে সন্ধা ৰাজকদমতল হাইস্কুল, ৰাজকদমতল বালিকা বিদ্যাপীঠ আৰু খাৰবান্ধা বিদ্যাপীঠ হাইস্কুলে শিক্ষাদানৰ ক্ষেত্ৰত উন্নতি সাধন কৰি আহিছে।

## খ) সন্ধা গাওঁৰ মানুহৰ মাজৰ বিভিন্ন ধৰণৰ সংস্কৃতিৰ দিশসমূহৰ অধ্যয়ন ঃ-

সংস্কৃতিৰ দিশ সমূহৰ বিষয়ে অধ্যয়ন কৰিবলৈ হ'লে আমি প্ৰথমে বুজি উঠিব লাগিব যে সংস্কৃতি হ'ল এটা জাতি বা এখন সমাজৰ পৰা নিগৰি ওলোৱা এখন ছবি। সংস্কৃতি মানৱ সমাজৰ এক অবিচ্ছেদ্য অংগ। সাধাৰণ অৰ্থত সংস্কৃতি শব্দই সুন্দৰ, মাৰ্জিত আচৰণ, উৎসৱ-পাৰ্বন, পৰিশোধন বা সংগীত, নৃত্য, ভাস্কৰ্য্য আদি বিভিন্ন সুক্ষ্মকলাৰ কথাকে বুজায়। সংস্কৃতি শব্দই প্ৰকৃততে মানৱীয় সকলো দিশকে সামৰি লয়। মানুহৰ আচৰণ আৰু কাম-কাজৰ মাজেদি মস্তিষ্কৰ যি বিকাশ ঘটে সেই সকলোবোৰেই বহল অৰ্থত সংস্কৃতিৰ অন্তভূৰ্ক্ত বিষয়। অৰ্থাৎ ভাৱ, চিন্তা, ৰীতি-নীতি, আচৰণ, অইন সকলো ধৰণৰ বস্তু আদিক সামৰি সংস্কৃতি গঠিত। সংস্কৃতিয়ে মানুহৰ লগত বুজা-বুজিৰ ভাৱ গঢ়ি তোলে আৰু ব্যক্তিসকলক একত্ৰিত কৰি তোলে। গতিকে সমাজ এখনৰ সংস্কৃতি এটা গুৰুত্বপূৰ্ণ উপাদান।

সংজ্ঞা ঃ-

ক) ই.বি. টাইলৰৰ সংজ্ঞাটোৱে সংস্কৃতিৰ অৰ্থ অধিক বহল কৰি তুলিছে। তেওঁৰ মতে, “Culture is that complex whole, which includes knowledge, life, art, morals, law, custom and other capabilities acquired by man as a number of society.” অৰ্থাৎ সংস্কৃতি এনে এক মিশ্ৰন, যি জ্ঞান, বিশ্বাস, কলা, নৈতিকতা, আইন, ৰীতি-নীতি আৰু সমাজৰ সদস্য হিচাপে মানুহে আহৰণ কৰিবলগীয়া অন্যান্য দিশসমূহ সামৰি লয়।

খ) ৰেডফিল্ডৰ মতে, সংস্কৃতি হৈছে, “An organised body of conventional understanding manifest in art and artifacts, which persisting through tradition, characterizes human group.” অৰ্থাৎ সংস্কৃতি হৈছে সমসাময়িক মূল্যবোধৰ এক সংগঠিত প্ৰকাশ, যি কলা আৰু ঐতিহ্যসমূহৰ পৰম্পৰাগত বৈশিষ্ট্যৰে নিজক ৰক্ষা কৰি জীয়াই থাকে।

সন্ধা গাঁওৰ সাংস্কৃতিক দিশটোৰ বিষয়ে তলত চমুকৈ লিখা হ’ল ঃ-

সন্ধা গাঁওৰ প্ৰতিটো চুবুৰীৰ বাসিন্দাসকল শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ অনুগামী। কীৰ্তনঘোষা, বৰগীত, নামঘোষা, ভাগৱত চৰ্চা এই গাঁওৰ সংস্কৃতি। নামঘৰ সমূহত বিভিন্ন তিথি পাৰ্বনত প্ৰায়ে নাম প্ৰসংগ, ভাগৱত পাঠ আৰু ধৰ্মীয় আলোচনা-বিলোচনা চলি থাকে। বৰপেটা সত্ৰৰ আৰ্হিতে সন্ধা গাঁওৰ প্ৰতিটো নামঘৰত নাম প্ৰসংগৰ উপৰিও আন আন অনুষ্ঠান চলি আছিল। সন্ধা গাঁওত শ্ৰীমন্ত অনুষ্ঠান চলি আছিল। সন্ধা গাঁওত শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰভাৱ বিস্তাৰ নোহোৱাৰ আগৰে পৰা মহাপুৰুষীয়া আদৰ্শ, নীতি-নিয়ম, সদাচাৰ আৰু কৃষ্ণ ভক্তিৰ প্ৰচাৰ প্ৰসাৰত আত্মনিয়োগ কৰি আছিল এই গাঁওৰ কেইগৰাকীমান স্বনামধন্য, ধৰ্মপ্ৰাণ বাপ-বান্ধোৱে।

## গ) সন্ধা গাঁওৰ মানুহৰ মাজত সামাজিক দিশ সমূহৰ অধ্যয়ন ঃ-

সামাজিক দিশসমূহৰ বিষয়ে জানিবলৈ হ’লে আমি প্ৰথমে জানিব লাগিব যে সামাজিক দিশ মানেনো কি?

সামাজিক দিশ হৈছে মানুহৰ এটা গোট। য’ত সমাজৰ উমৈহতীয়া মূল্যবোধ আৰু জীৱন শৈলীৰ ভাগ-বতৰা, জীৱন ধাৰণ কৰা মানুহৰ এটা গোট সংজ্ঞায়িত কৰে। সামাজিক দিশসমূহে এখন সমাজৰ ভেঁটিৰ এক গুৰুত্বপূৰ্ণ অংশ আৰু ইয়াৰ দ্বাৰাই সমাজৰ সকলো দিশ সামৰি লোৱা হয়। সমাজৰ এই সামঞ্জস্যতাবোৰ যিকোনো সমাজ এখনৰ মূল ভেটি আৰু সমাজৰ লোকসকলক একত্ৰিত কৰি ৰাখে। সামাজিক দিশ সমূহে সমাজৰ লোকসকলক দৈনন্দিন জীৱনত ইজনে-সিজনৰ লগত কৰা যোগাযোগ, কাম-কাজৰ ধাৰণ এই সকলোবোৰ দিশৰ ওপৰত প্ৰভাৱন্বিত হয়। সামাজিক দিশ হ’ল এটা নিৰ্দিষ্ট সংস্কৃতিৰ ভিতৰত মানুহৰ মাজত থকা এক সামঞ্জস্য। সামাজিক দিশসমূহে এটা জাতিৰ ভাষা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, খাদ্য-ভাষ, সাজ-পোচাক এই সকলোবোৰ দিশক সামৰি লয় সমাজৰ সৰ্বাংগীন উন্নয়নত অৰিহনা যোগাই।

## ঘ) সন্ধা গাঁওৰ মানুহৰ মাজত ৰাজনৈতিক দিশসমূহৰ অধ্যয়ন ঃ-

ৰাজনৈতিক দিশসমূহৰ বিষয়ৰ জানিবলৈ হ’লে আমি প্ৰথমে জানিব লাগিব যে ৰাজনীতি মানেনো

কি?

অসমীয়া ভাষাত 'ৰাজনীতি' শব্দটো ইংৰাজীত "Politics" হিচাপে জনা যায়। এই 'Politics' শব্দটো 'Polis' শব্দৰ অৰ্থ হ'ল নগৰ ৰাষ্ট্ৰ। এই নগৰ ৰাষ্ট্ৰবোৰক কেন্দ্ৰ কৰিয়েই একোখন ঐক্যবদ্ধ ৰাজনৈতিক সমাজ গঢ়ি উঠিছিল। এইবোৰকেই নগৰ ৰাষ্ট্ৰ বোলা হৈছিল। এই নগৰ ৰাষ্ট্ৰবোৰৰ নীতি আৰু কাৰ্যকলাপকে ৰাজনীতি বোলা হৈছিল।

সংজ্ঞা ঃ-

ক) ড° আপাজোৱাই কয় "ৰাজনীতি ৰাষ্ট্ৰ নাইবা ৰাজনৈতিক সমাজৰ সৈতে জড়িত।"

ৰাজনীতি গতিশীল। সময়ৰ লগে লগে ৰাজনীতিৰো পৰিবৰ্তন হৈ থাকে আৰু থকাটোও স্বাভাৱিক। মানুহৰ মন, মগজুৰ বিকাশ ঘটে, যুগ পৰিবৰ্তনৰ লগে লগে সময় সাপেক্ষে নতুন নতুন চিন্তা, ধ্যান-ধাৰণাৰ সৃষ্টি হয়। সেয়েহে অধিকাৰ, ক্ষমতা, শাসন ব্যৱস্থাই নতুন মাত্ৰা লাভ কৰে।

## 4. Operational defination (কাৰ্যকৰী সংজ্ঞা) ঃ-

সামাজিক উপাদন হ'ল এনেকুৱা এটা কাঠামো য'ত সমাজৰ সকলো বিষয় বস্তু নিৰ্ধাৰণ কৰে। এখন সমাজ পৰিচালিত হ'বলৈ হ'লে বিভিন্ন দিশ সমূহৰ সহা.-সহযোগিতা লাগে। ঠিক তেনেকুৱা ধৰণৰ সহায়-সহযোগিতাৰে একগোট কৰাকে আঁচল অৰ্থত সামাজিক উপাদান বুলি জনা যায়।

সমাজ এখনৰ মূল্যবোধ, নীতি-নিয়ম, সমাজৰ ব্যক্তি সকলৰ প্ৰতি ভূমিকা, আচৰণ, সংস্কৃতি, শিক্ষা, ৰাজনীতি, ধৰ্ম আদি সকলোবোৰ দিশেই হ'ল সমাজৰ একো একোটা অৱিচ্ছেদ্য উপাদান।

সমাজত ধনী-দুখীয়া, দৰিদ্ৰ আৰু সামাজিক ন্যায়ৰ মাজৰ ব্যৱধান হ্ৰাস কৰাৰ বাবে সমাজত মানৱ অধিকাৰ বৈচিত্ৰ, সাংস্কৃতিক পৰম্পৰা আৰু সম্প্ৰদায়ৰ অধিকাৰৰ প্ৰতি সন্মান নিশ্চিত কৰা পদ্ধতি ৰূপায়ণ কৰাকে সমাজৰ উপাদান বুলি জনা যায়।

সামাজিক উপাদান শব্দটোৱে এটা অঞ্চলৰ জনসংখ্যা, জনসংখ্যাৰ ঘনত্ব, সমাজৰ বৈশিষ্ট্য, সমাজৰ সংমিশ্ৰন, সমাজ বিকাশৰ সিদ্ধান্ত, সামাজিক ৰীতি-নীতিৰ সংৰক্ষণ আদি সমন্বয়েৰে গঠিত।

বিভিন্ন সমাজতত্ত্ববিদে সমাজতত্ত্বক ভিন ভিন সংজ্ঞা প্ৰদান কৰিছে। ইয়াৰ ভিতৰত কেইটামান তলত উল্লেখ কৰা হ'ল -

ক) আগষ্ট অ'কৰ মতে, সমাজ হ'ল সামাজিক পদ্ধতিৰ বিজ্ঞান।

খ) মেক্স ৱেবাৰৰ মতে, সমাজ হ'ল সামাজিক ক্ৰিয়াৰ অৰ্থপূৰ্ণ অধ্যয়ন।

গ) মৰিচ পিনচবাৰ্ণৰ মতে, মানুহৰ পাৰস্পৰিক ক্ৰিয়া আৰু সম্পৰ্কৰ লগতে ইয়াৰ অৱস্থা আৰু ফলাফল জানিবলৈ কৰা অধ্যয়ন।

## 5. Delimitation of the study (অধ্যয়নৰ সীমা নিৰ্ধাৰণ) ঃ-

### ক) District : Nalbari (নলবাৰী) ঃ-

অসমৰ এখন প্ৰশাসনিক জিলা। পূৰ্বতে কামৰূপ জিলাৰ মহকুমা হিচাপে চিহ্নিত নলবাৰীক ১৯৮৫ চনৰ ১৪ আগষ্ট তাৰিখে জিলা হিচাপে ঘোষণা কৰা হয়। নলবাৰী শব্দটো 'নল' আৰু 'বাৰী' এই দুটা শব্দৰ

পৰা আহিছে। 'নল' মানে এবিধ উদ্ভিদ আৰু 'বাৰী' মানে হ'ল উদ্যান। পূৰ্বতে এই ঠাইখন নলৰে ভৰপূৰ আছিল, সেইকাৰণে ইয়াক নলৰ উদ্যান বুলি কোৱা হৈছিল। জিলাখনৰ মাটিকালি হৈছে ৯৯৯.৯০ বৰ্গ কি.মি.। ২০০১ চনৰ লোকপিয়ল মতে জিলাখনৰ মুঠ জনসংখ্যা আছিল ১১৩৮১৮৪ জন। নলবাৰী জিলাখনৰ চাৰিসীমা হৈছে উত্তৰে বাক্সৰ জিলা, পূৱে দৰং জিলা আৰু কামৰূপ জিলা, দক্ষিণে ব্ৰহ্মপুত্ৰ নদী আৰু পশ্চিমে বৰপেটা জিলা। নলবাৰীত ১৮৮৭ চনত প্ৰথম বিদ্যালয়খন স্থাপন হৈছিল যাক পিছলৈ নলবাৰী চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় নাম দিয়া হয়। নলবাৰী সংস্কৃত মহাবিদ্যালয়, এম.এন.চি. বালিকা মহাবিদ্যালয়, নলবাৰী মহাবিদ্যালয় নলবাৰী বাণিজ্য মহাবিদ্যালয় আদি নলবাৰী চহৰৰ প্ৰধান মহাবিদ্যালয়। ২৪ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ১৪৫ খন উচ্চ ইংৰাজী বিদ্যালয়, ২৭৬ খন মধ্য ইংৰাজী আৰু এম.ভি স্কুলৰ সৈতে নলবাৰী জিলাৰ শিক্ষাৰ আন্তঃ গাঁথনি অধিক উন্নত। ইয়াৰ উপৰিও 'কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়' নলবাৰী জিলাৰ অন্তৰ্গত।

এই অধ্যয়নটোৰ বাবে আমি নলবাৰী জিলাৰ অন্তৰ্গত সন্ধ্যা গাঁওত ক্ষেত্ৰ অধ্যয়ন কৰিছিলোঁ। নলবাৰী চহৰৰ পূব দিশেৰে বৈ যোৱা পাগলদিয়া নদীৰ সমীপৰ পৰা আৰম্ভ হৈ প্ৰায় ২ কিলোমিটাৰ দৈৰ্ঘ্য আৰু ১ কিলোমিটাৰ প্ৰস্থৰ মাটিকালিত ১৪ টা চুবুৰীৰে সু-সংগঠিত সন্ধ্যা গাঁওখন কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ অতি পুৰণি মহাপুৰুষীয়া গাঁও। 'সন্ধ্যা' এটা ঐতিহাসিক নাম। এই নামটোৰ বুকুত লুকাই আছে অনেক কৃষ্টি-সংস্কৃতিৰ সমল। কৃষিপ্ৰধান এই গাঁওখনৰ বাসিন্দাসকল অতি পৰিশ্ৰমী আৰু শান্তিপ্ৰিয়।

# CHAPTER - 2

# Chapter : 2

## 1. Review of related literature :-

ক) ভূঞা দে.চ. আৰু নাম আ.চ (১৯৮৯) 'সমাজতত্ত্ব পৰিচয়' (পৃষ্ঠা নং ঃ ৬১ - ৬৫)

প্ৰত্যেক মানৱ সমাজ তথা প্ৰত্যেক সমূহ সংগঠন বা অনুষ্ঠানে তেওঁলোকৰ গঠনসমূহক কাম সম্পাদন কৰিবৰ বাবে কিছুমান ৰীতি-নীতি আচাৰ বিধি প্ৰবৰ্তন কৰে তাক মানি চলে। সমাজত বিভিন্ন ধৰণৰ সংগঠিত পদ্ধতি, ন্যায় বিচাৰ ধৰ্ম পদ্ধতি ইত্যাদি থাকে। এই পদ্ধতিসমূহ জনসাধাৰণক সমাজকৰ প্ৰতি আকৰ্ষিত কৰে।

খ) ভূঞা দে. চ আৰু নামথ আ.ছ (১৯৮৯) 'স্নাতক সমাজতত্ত্ব পৰিচয়' (পৃষ্ঠা নং ঃ ৫৩-৫৭)

সমাজ এক সংগঠন। সমাজ সামাজিক সম্বন্ধৰ জলগোঠনি স্বৰূপ। সামাজিক সম্বন্ধৰে মিলিত হোৱা সামাজিক পদ্ধতিটোক সমাজ বুলি কোৱা হয়। এই সমাজ এখনত বিভিন্ন ধৰণৰ উপাদান থাকে আৰু এই উপাদানবোৰে সমাজ খনক একতাৰ দোলেৰে বান্ধি ৰাখে, বিকশিত কৰে।

গ) কলিতা ন. ঠা. (১৯৯৩, জানুৱাৰী) 'শিক্ষা সমাজ বিজ্ঞান' (পৃষ্ঠা নং ঃ ৫৬-৫৮)

সংস্কৃতি হ'ল মানৱ সমাজৰ বিভিন্ন আচাৰ ব্যৱহাৰ, পৰম্পৰা আৰু ৰীতি-নীতিৰ সমাহাৰ যিবোৰে মানুহক উন্নতি আৰু পূৰ্ণতা লাভত সহায় কৰে। সংস্কৃতি কোনো এক ব্যক্তিগত ধাৰণা নহয়, ই সামাজিক ধাৰণাৰ ওপৰতহে প্ৰতিষ্ঠিত। সংস্কৃতিয়ে সদায় অতীতৰ লগত সংশ্ৰৱ ৰাখে অতীতক বাদ দি সংস্কৃতি বৰ্তি থাকিব নোৱাৰে।

ঘ) শইকীয়া উ. (২০০০ চন) 'সমাজতত্ত্ব পৰিচয়' (পৃষ্ঠা নং ঃ ১৭২-১৮৩)

সংস্কৃতিয়ে মানুহৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চাল-চলন, শিক্ষা-দীক্ষা, ধৰ্মবিশ্বাস, খাদ্যভাষ, সাজপাৰ, মাত-কথা, নৃত্য-গীত, ঘৰ-দুৱাৰ, আচবাব, শিল্প-ভাস্কৰ্য, সাহিত্য-কলা আদি সকলো দিশকেই বুজায়। আধুনিক সমাজ ব্যৱস্থাত নতুন সংস্কৃতিৰ জন্ম দিছে।

ঙ) শইকীয়া উ. (২০০২ চন) 'সমাজতত্ত্ব পৰিচয়' (পৃষ্ঠা নং ঃ ২৮-২৯)

সমাজতাত্ত্বিক অধ্যয়নত ব্যৱস্থাত আন এক পদ্ধতি হ'ল সাক্ষাৎকাৰ পদ্ধতি। সাক্ষাৎকাৰ পদ্ধতিৰ দ্বাৰা তথ্য সংগ্ৰহ আটাইতকৈ সহজ আৰু বেছিকৈ ব্যৱহৃত পদ্ধতি। এই পদ্ধতিত সাক্ষাৎকাৰী আৰু সাক্ষাৎগ্ৰহণকাৰীৰ মাজত দ্বিমুখী যোগাযোগ হয়, য'ত আগৰজনে প্ৰশ্নৰ জৰিয়তে তথ্য বিচাৰে আৰু পিছৰটোৱে তেওঁৰ মৌখিক সঁহাৰিৰ জৰিয়তে উত্তৰ প্ৰদান কৰে।

চ) ড° ডেকা বী (২০১২, জানুৱাৰী) 'শিক্ষা সমাজ বিজ্ঞান' (পৃষ্ঠা নং ঃ ৩৩৭ - ৩৬৩)

সংস্কৃতিৰ ধাৰণাটো অতি বিস্তৃত। সংস্কৃতি এটা সম্প্ৰদায়ৰ, সংস্কৃতি এটা জাতিৰ আৰু সংস্কৃতি এখন সমাজৰ প্ৰত্যেক সমাজৰে এক নিজা সংস্কৃতি আছে। সমাজ এখনৰ বাবে সংস্কৃতি এটা প্ৰধান উপাদান।

ছ) ড° ডেকা বী (২০১৫, জুলাই) 'শিক্ষাতত্ত্ব' (পৃষ্ঠা নং ঃ ৩৩০-৩৩১)

আধুনিক জগতত শিক্ষাৰ ক্ষেত্ৰত সমাজ বিজ্ঞানৰ সফল প্ৰয়োগ হোৱা দেখা যায়। সমাজ বিজ্ঞান

হ'ল সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ বাবে অধ্যয়ন কৰা দল বা গোট সমূহৰ বিষয়ে অধ্যয়ন। শিক্ষা সমাজ বিজ্ঞানে সামাজিক ৰীতি-নীতি, পৰম্পৰা, আধ্যাত্মিকতাবাদ, ধৰ্ম, সামাজিক অনুষ্ঠান, ভৌগিলিক অৱস্থান ইত্যাদি বিষয় সামৰি লয়।

জ) ড° বড়া কৃ. কু (২০১৬) 'সামাজিক নৃতত্ত্বৰ পৰিচয়' (পৃষ্ঠা নং ঃ ৬৯ - ৭২)

মানুহৰ জীৱন ধাৰণ সমাজ অবিহনে সম্পূৰ্ণ বুলি ভাবিব নোৱাৰি। সমাজ হৈছে মানুহৰ সমষ্টি, য'ত ইজনে সিজনৰ সংস্পৰ্শ আৰু আন্তঃ সম্বন্ধৰ জৰিয়তে পাৰস্পৰিক সহযোগিতাৰে বসবাস কৰে। সমাজক এটা গঠন ব্যৱস্থা বুলি ক'ব পাৰি। কাৰণ, ইয়াত মানুহৰ সম্বন্ধ সমূহ নিহিত হৈ থাকে। সামাজিক কিছুমান অনুষ্ঠান যেনে - বিবাহ পদ্ধতি, উৎসৱ পাৰ্বন আদিবোৰ সামাজিক প্ৰথাৰে প্ৰচলিত হয় আৰু সমাজৰ মানুহবোৰৰ মাজত এক পাৰস্পৰিক সম্পৰ্ক থকা দেখা যায়।

ঝ) আলি হ. আৰু মেধি বি. কু (২০১৬) 'সামাজিক নৃতত্ত্ব সন্দেদ' (পৃষ্ঠা নং ঃ ৩৭ - ৪১)

একোখন সমাজ আকৌ নানা সংগঠন বা অনুষ্ঠানৰ সমাহাৰ, গোত্ৰ, বিবাহ ইত্যাদি। শিশু এটাৰ শাৰীৰিক, মানসিক গঠনত, বিকাশত এনে অনুষ্ঠানবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অতীতৰে পৰাই সমাজৰ এনেকুৱা অনুষ্ঠানবোৰে সমাজৰ উন্নয়নৰ বাবে, ব্যক্তি সকলৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ ভূীমিকা পালন কৰি আহিছে।

ঞ) নায়ক প্ৰ. চ আৰু ড° শইকীয়া জ্যো (২০১৮, জুলাই) 'সাধাৰণ সমাজতত্ত্ব' (পৃষ্ঠা নং ঃ ৪১ - ৪৩)

আমাৰ সমাজৰ কিছুমান মৌলিক উপাদান আছে। এই উপাদান অবিহনে এখন সমাজ গঠিত হ'ব নোৱাৰে। বিভিন্নতা, গতিশীলতা, পৰস্পৰ নিৰ্ভৰশীলতা, সামাজিক সম্পৰ্ক, সংস্কৃতি এই আটাইবোৰ সমাজৰ গুৰুত্বপূৰ্ণ উপাদান।

ট) ড° কলিতা উ. ড° চহৰীয়া সো. ব. আৰু শৰ্মা অ. (২০১৯, জুলাই) 'শিক্ষাৰ নীতি' (পৃষ্ঠা নং ঃ ১২ - ২৭)

শিক্ষা হ'ল চৰিত্ৰ গঠন আৰু শুদ্ধ জীৱন যাপনৰ উপায়। ব্যক্তি বিকাশৰ শাৰীৰিক, মানসিক, নৈতিক, সামাজিক আৰু আধ্যাত্মিক দিশৰ প্ৰতিটো স্তৰতেই শিক্ষাৰ প্ৰভাৱ বিৰাজমান। শিক্ষা এক গতিশীল প্ৰক্ৰিয়া। শিক্ষাৰ দ্বাৰা মানুহে অজ্ঞান অন্ধাৰ দূৰ কৰি জ্ঞানৰ পোহৰ বিলাব পাৰে। মানুহৰ সমাজ জীৱনৰ অতীতৰ বিষয়ে প্ৰণালীবদ্ধ জ্ঞান আহৰণ কৰি বৰ্তমান জীৱন পৰিচালনাৰ বাবে প্ৰয়োজনীয় সকলো কলা-কৌশল আৰু যোগ্যতাৰ বিকাশ সাধন কৰি ভৱিষ্যৎ সমাজ জীৱনৰ প্ৰগতিৰ বাবে কাম কৰিবলৈ মানুহক প্ৰেৰণা দিয়ে।

ঠ) ড° দাস দি. চ (২০১৯) 'ৰাজনৈতিক তত্ত্ব' (পৃষ্ঠা নং ঃ ৮ - ১০)

ৰাজনীতি হ'ল গতিশীল বা পৰিবৰ্তনশীল বিষয়। সময়ৰ লগে লগে ৰাজনীতিৰো পৰিবৰ্তন হৈ থাকে আৰু থকাটোও স্বাভাৱিক। ৰাজনীতি কেৱল চৰকাৰৰ সৈতে জড়িত।

# CHAPTER - 3

## Chapter : 3

### Methodology (পদ্ধতি)

### 1. Method of the study (অধ্যয়নৰ পদ্ধতি) ঃ- Descriptive survey method (বৰ্ণনামূলক জৰীপ পদ্ধতি) ঃ

বৰ্ণনাত্মক প্ৰকল্প হৈছে এক গৱেষণাধৰ্মী কাৰ্য। যিয়ে পৰিমাণগত আৰু গুণত তথ্য প্ৰদান কৰি সংগ্ৰহিত তথ্যৰ মূল্যায়ন বা বিশ্লেষণ কৰে। এই পদ্ধতিৰে বাস্তৱ জীৱনৰ পৰিস্থিত বুজিবলৈ সহায় কৰে। বাস্তব তথ্যবোৰক অৰ্থপূৰ্ণ বিশ্লেষণ কৰিব পাৰিলেহে প্ৰকল্প কাৰ্যৰ লক্ষ্যত উপনীত হ'ব পাৰিষ সেয়ে প্ৰাপ্ত তথ্য সমূহৰ অৰ্থপূৰ্ণ গুণগত বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে। তথ্যপাতি সমূহৰ একত্ৰীকৰণ বা শৃংখলাবদ্ধ ভাৱে বিশ্লেষণ কৰিলেই সেইবোৰৰ পৰা কোনো অৰ্থ লাভ কৰিব পাৰি।

গৱেষণাকাৰীয়ে এই অধ্যয়নৰ তথ্যৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰি সেই তথ্য বিশ্লেষণ কৰিবৰ বাবে বিভিন্ন পদ্ধতি অৱলম্বন কৰে। সেইসমূহ হৈছে বৰ্ণণাত্মক, গুণগত, পৰিমানগত তালিকা অধ্যয়নটো কৰিবলৈ কিছুমান প্ৰশ্নৰ সহায় লোৱা হৈছিল। সেই প্ৰশ্ন সমূহৰ আধাৰত অধ্যয়নৰ বিশ্লেষণ বা মূল্যায়ন কৰিবলৈ লোৱা হৈছে।

সমাজ বিজ্ঞানত পৰিমানগত পদ্ধতিটোৱেই হৈছে গৱেষণাৰ এক প্ৰধান কাঠামো। এই পদ্ধতিৰ দ্বাৰাই সংখ্যাগত আৰ্হিৰ অন্বেষণৰ মানসিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক প্ৰক্ৰিয়াসমূহৰ অধ্যয়ন কৰিবলৈ সহজ হয়। পৰিমানগত গৱেষণাই এক সংখ্যাগত পৰিসৰ তথ্য সংগ্ৰহ কৰে।

বৰ্তমান সমাজত শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক প্ৰক্ৰিয়াসমূহত মানুহক বেছিকৈ উৎসাহিত কৰে। দিনক দিনে এই সমূহৰ প্ৰতি মানুহৰ প্ৰতি মানুহৰ আকৰ্ষণ ,ৃদ্ধি পাই আহিছে।

নিম্নলিখিত তালিকাকেইখনৰ জৰিয়তে সন্ধা গাঁওৰ শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক, সমাজিক দিশসমূহৰ ইতিবাচক প্ৰভাৱৰ তথ্য উপস্থাপন কৰা হ'ল -

**তালিকা (ক)**


| শৈক্ষিক | অৰ্থনৈতিক ভাৱে উন্নত | ৰাজনৈতিক |
|---|---|---|
| ৩০ (ঘৰ) | ৫ (ঘৰ) | ৩ (ঘৰ) |

উক্ত তালিকাত ৩০ ঘৰ মানুহৰ শৈক্ষিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশ সমূহৰ অধ্যয়ন কৰা হৈছিল তাৰে তথ্য অনুযায়ী সমাজৰ অধ্যয়নৰ বাবে ৩০ ঘৰ মানুহৰ ভিতৰত ৩০ ঘৰ শিক্ষিত, অৰ্থনৈতিক ভাৱে ৫ ঘৰ মানুহ উন্নত আৰু ৰাজনৈতিক দিশত ৩০ ঘৰ মানুহৰ ভিতৰত ৩ ঘৰ লোক জড়িত।

**তালিকা (খ)**

| নাৰী শিক্ষা | সংস্কৃতি (একতা) | অন্ধবিশ্বাস |
|---|---|---|
| ৩০ (ঘৰ) | ৩০ (ঘৰ) | ১ (ঘৰ) |

সমাজত অৰ্থাৎ সন্ধা গাঁওখনত নাৰীৰ শিক্ষাৰ আগ্ৰাধিকাৰ, সংস্কৃতিৰ ক্ষেত্ৰত একতা বা সহযোগিতা, সমাজৰ অন্ধবিশ্বাসৰ প্ৰতি মানুহৰ প্ৰভাৱ দণ্ডচিত্ৰৰ সহায়ত দেখুওৱা হ'ল -



উক্ত তালিকাত ৩০ ঘৰ মানুহৰ ক্ষেত্ৰত ৩০ ঘৰে নাৰী শিক্ষাৰ অগ্ৰাধিকাৰৰ লগত জড়িত, ৩০ ঘৰে সংস্কৃতিৰ ক্ষেত্ৰত একতাৰে মিলাপ্ৰীতিৰে বসবাস কৰে, উদ্‌যাপন আৰু ৩০ ঘৰ মানুহৰ ভিতৰত ১ ঘৰ অন্ধবিশ্বাসৰ লগত জড়িত।

নিম্নলিখিত প্ৰশ্নসূচীৰ জৰিয়তে, সন্ধা গাঁওৰ মানুহখিনিয়ে বাল্যবিবাহ সমৰ্থন কৰেণে নকৰে প্ৰশ্নত তেওঁলোকে গোটেই ৩০ ঘৰ মানুহে অৰ্থাৎ অধ্যয়নৰ বাবে লোৱা ৩০ ঘৰ মানুহেই সমৰ্থন নকৰে বুলি এক ইতিবাচক প্ৰভাৱ পেলাইছে সমাজত।

সমাজ বিজ্ঞানত গুণগত পদ্ধতি নামটোৱেই কোৱাৰ দৰে এনে পদ্ধতি যি পদ্ধতিত জোখ-মাখ বা পৰিসংখ্যা জড়িত নহয়। যিহেতু প্ৰাকৃতিক বিজ্ঞানে পৰিমাণগত পদ্ধতিৰে ইমান গুঞ্জাৰিত সফলতা লাভ কৰিছে, সেয়েহে গুণগত পদ্ধতিক কেতিয়াবা কম বৈজ্ঞানিক পদ্ধতি বুলি হেয় জ্ঞান কৰা হয়। এই অধ্যয়নৰ কাৰ্য সম্পাদন কৰিবৰ বাবে প্ৰশ্নসূচীক আঁহিলা হিচাপে ব্যৱহাৰ কৰা হৈছে।

প্ৰশ্নসূচীৰ জৰিয়তে নিৰ্বাচিত সন্ধা গাঁওৰ মানুহৰ পৰা তথ্য সংগ্ৰহ কৰি, তথ্যৰ বিশ্লেষণৰ জৰিয়তে অধ্যয়নৰ ফলাফল কৰা হ'ল।

প্ৰতিটো প্ৰশ্নৰ পৰিমাপ কৰি তথ্যৰ অৰ্থসমূহ ব্যাখ্যা কৰা হৈছে। এই অধ্যয়নৰ মূল উদ্দেশ্যবোৰ আছিল -

ক) সন্ধা গাঁওৰ মানুহৰ মাজত শৈক্ষিক দিশৰ ওপৰত সজাগতাৰ অধ্যয়ন।

খ) সন্ধা গাঁওৰ মানুহৰ মাজত নাৰী শিক্ষা, নিজৰ সংস্কৃতি, ধৰ্মীয় পৰম্পৰা, অৰ্থনীতি আদিৰ ওপৰত তেওঁলোকৰ গুৰুত্বৰ অধ্যয়ন।

গ) সন্ধা গাঁওৰ ৰীতি-নীতি, সমাজৰ মানুহৰ ৰাজনৈতিক সজাগতা, সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস, বাল্যবিবাহ আদিৰ ওপৰত তেওঁলোকৰ ধাৰণাৰ অধ্যয়ন।

উক্ত উদ্দেশ্য সমূহত ভিত্তি কৰি বৰ্তমানৰ প্ৰকল্পৰ প্ৰাপ্ত ফলাফল সমূহ হ'ল -

ক) সন্ধা গাঁওৰ মানুহে দিয়া তথ্য অনুসৰি শৈক্ষিক ক্ষেত্ৰখনত তেওঁলোকৰ সমাজত গুৰুত্বপূৰ্ণ ভূমিকা আছে। পিতৃ-মাতৃসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে ভৱিষ্যৎ নিজে নিজৰ ভৰিত থিয় হোৱাটো বিচাৰে। একোজন সমাজৰ সু-নাগৰিক হোৱাটো বিচাৰে।

খ) নাৰী শিক্ষা ক্ষেত্ৰত তেওঁলোক সম্পূৰ্ণ ভাৱে সজাগ, নিজৰ ধৰ্মীয় সংস্কৃতি পৰম্পৰা বৰ্তাই ৰখাৰ ক্ষেত্ৰত তেওঁলোকে ইতিবাচক সঁহাৰি আগবঢ়াই আহিছে।

গ) সমাজৰ সকলো শ্ৰেণী অৰ্থনৈতিক ভাৱে আগবঢ়া নহয়। সমাজখনত অৰ্থনৈতিক ভাৱে মধ্যমীয়া শ্ৰেণীৰলোক বৈছিকৈ থকা দেখা যায়।

ঘ) তেওঁলোকৰ সমাজৰ ৰীতি-নীতি, সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ প্ৰতি কিছু সংখ্যক মানুহ এতিয়াও সজাগ নহয়।

ঙ) সন্ধা গাঁওখনৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে লোৱা ৩০ ঘৰ মানুহেই প্ৰত্যেক বছৰত ভোট প্ৰদান কৰে, ৰাজনৈতক ভাৱে সুৰক্ষিত।

প্ৰকল্প কাৰ্য হৈছে বাস্তৱ অভিজ্ঞতাৰ কাৰ্য। এই প্ৰকল্প কাৰ্যত গৱেষণাকাৰীয়ে বৰ্ণণাত্মক জৰীপ পদ্ধতিৰে তেওঁলোকে দিয়া তথ্য সমূহৰ ওপৰত ভিত্তি কৰি সন্ধা গাওঁত ৩০ ঘৰ মানুহৰ ওপৰত অধ্যয়ন কৰা হয় আৰু সন্ধা গাঁওৰ মানুহৰ সমাজৰ প্ৰতি তেওঁলোকৰ ইতিবাচক, নেতিবাচক সঁহাৰি জানিবলৈ সক্ষম হওঁ।

## 2. Tools for data collected :- Interview Schedule

সমাজতাত্ত্বিক অধ্যয়নত ব্যৱহৃত আন এক পদ্ধতি হ'ল সাক্ষাৎকাৰ পদ্ধতি। সাক্ষাৎকাৰ পদ্ধতিৰে তথ্য সংগ্ৰহৰ বাবে এখন প্ৰশ্নৰ সূচী তৈয়াৰ কৰা হয়। এই সূচীৰ প্ৰশ্নসমূহৰ উত্তৰ প্ৰত্যক সাক্ষাৎকাৰত সংগ্ৰহ কৰা হয়। গুডে আৰু হেটৰ মতে, মুখামুখিভাৱে সাক্ষাৎগ্ৰহণ কৰোতে সাক্ষাৎ লওঁতাই যিখন প্ৰশ্ন তালিকা ব্যৱহাৰ কৰি প্ৰশ্ন সোধে আৰু উত্তৰসমূহ লিপিবদ্ধ কৰি যায়, সেই প্ৰশ্ন তালিকাখনেই হ'ল সাক্ষাৎকাৰ সূচী।

সাক্ষাৎকাৰ সূচীৰে তথ্য সংগ্ৰহ কৰিবলৈ যাওঁতে যিটো বিষয়ৰ ওপৰত অধ্যয়ন কৰা হয় সেই বিষয়টোৰ লগত সম্পৰ্ক থকা সকলো দিশ সামৰি প্ৰশ্নৰ তালিকা প্ৰস্তুত কৰা হয়।

সাক্ষাৎকাৰ সূচীৰ সুবিধাসমূহ হ'ল -

সাক্ষাৎকাৰ সূচীৰ বিশেষ কিছুমান সুবধি আছে। সেইবোৰ হ'ল

ক) সাক্ষাৎকাৰ পদ্ধতিৰ গৱেষণাৰ বাবে তথ্য সংগ্ৰহৰ কাৰ্য প্ৰমালীবদ্ধ হয়। গৱেষণাৰ বাবে প্ৰয়োজনীয় কোনো বিষয়বস্তু বাদ পৰি নাযায়।

খ) মুখামুখি ভাৱে তথ্য সংগ্ৰহ কৰোতে ব্যক্তিসকলৰ পৰা সম্পূৰ্ণ সঁহাৰি পোৱা যায়।

গ) সাক্ষাৎকাৰ পদ্ধতিত কম সময়তে বেছি তথ্য সংগ্ৰহ কৰিব পাৰি। ইয়াত খৰচো কম।

ঘ) সাক্ষাৎ গ্ৰহণ কৰিব লগা লোকসকল বিভিন্ন ঠাইত থাকিলে তেওঁৰ ওচৰলৈ গৈ তথ্য সংগ্ৰহ কৰোতে ধন আৰু সময়ৰ খৰছ বেছি হয়।

3. Statistical Interpretation of Analysis - In the present study, percentage nethod was used gfor analysis of data.

# CHAPTER - 4

# Chapter : 4

1) Analysis :—

## Table No. 1

| Sl. No. | Item | Yes | % | No | % |
|---|---|---|---|---|---|
| 1 | আপোনাৰ ঘৰত শিক্ষিত মানুহ আছেনে? | 30 | 100 | 0 | 0 |
| 2 | আপোনাৰ মতে সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আছেনে/নাই? | 30 | 100 | 0 | 0 |
| 3 | আপোনাৰ সমাজত ধৰ্মীৰ অনুষ্ঠানবোৰ আছেনে/নাই? | 30 | 100 | 0 | 0 |
| 4 | আপুনি বাস কৰা সমাজত বা গাঁওখনত কেতিয়াবা অনুষ্ঠানবোৰ সমূহীয়াভাৱে অনুষ্ঠিত কৰেণে/নকৰে? | 30 | 100 | 0 | 0 |
| 5 | যদি অনুষ্ঠানবোৰ সমূহীয়া ভাৱে অনুষ্ঠিত কৰে আপুনি অংশ গ্ৰহণ কৰেণে/নকৰে? | 30 | 100 | 0 | 0 |
| 6 | আপুনি সমাজত বৰ্ণ বৈষম্যৰ বলি হবলগীয়া হয়নে/নহয়? | 1 | 3.33 | 29 | 93.67 |
| 7 | আপোনাৰ সমাজত অন্ধবিশ্বাস জাতিৰ ভেদাভেদ আছেনে/নাই? | 1 | 3.33 | 29 | 96.67 |
| 8 | আপুনি সমাজত সন্মান সহকাৰে চৰকাৰৰ সকলো সাৱলীকৰণৰ আঁচনিৰ সুবিধা লাভ কৰিছেনে/কৰা নাই | 6 | | 24 | |
| 9 | আপোনাৰ সমাজখনত মিলা-প্ৰীতি বা একতাৰ বান্ধোন আছেনে/নাই? | 30 | 100 | 0 | 0 |
| 10 | আপোনাৰ সমাজত এতিয়াও বাল্যবিবাহ হয়নে? | 0 | 0 | 30 | 100 |
| 11 | আপুনি বাল্যবিবাহ সমৰ্থন কৰেণে। | 0 | 0 | 30 | 100 |
| 12 | আপুনি প্ৰত্যেক বছৰত ভোট দান কৰেণে? | 30 | 100 | 0 | 0 |
| 13 | আপোনাৰ পৰিয়ালত কোনোবা সদস্য পঞ্চায়ত/বিধানসভা/লোকসভাৰ প্ৰতিনিধি হৈছে নেকি বা কোনোবা ৰাজনীতিৰ লগত জড়িত নেকি? | 3 | 10 | 27 | 90 |
| 14 | শ্ৰেণীৰ পাঠ্যক্ৰমৰ লগতে সহপাঠ্যক্ৰমিক শিক্ষাক গুৰুত্বপূৰ্ণ ভাবেনে/নাভাবে? | 30 | 100 | 0 | 0 |
| 15 | আপুনি নিজৰ ধৰ্মীয় পৰম্পৰা আৰু সংস্কৃতি সমাজত কোনো ধৰণৰ বাধা নোহোৱাকৈ পালন কৰিব পাৰিছেনে? | 30 | 100 | 0 | 0 |

1. আপোনাৰ ঘৰত শিক্ষিত মানুহ আছেনে?

= সন্ধা গাঁওখনত ৩০ ঘৰ মানুহৰ ঘৰত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা আমি গম পালো যে, গোটেই ৩০ ঘৰ মানুহৰে ঘৰত শিক্ষিত মানুহ আছে।

2. আপোনাৰ মতে সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আছেনে / নাই?

= সন্ধা গাঁওখনত ৩০ ঘৰ মানুহৰ ঘৰত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা আমি গম পালো যে, প্ৰত্যেকজন মানুহে সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা থকা বুলি মত পোষন কৰিছে। নাৰীয়ে শিক্ষাৰ জৰিয়তে উন্নতিৰ জখলাত আগবাঢ়ি যোৱাটো বিচাৰে।

3. আপোনাৰ সমাজত ধৰ্মীয় অনুষ্ঠানবোৰ আছেনে / নাই?

= সন্ধা গাঁওখনত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা গম পোৱা গ'ল যে গাঁওখনত বা সমাজখনত ধৰ্মীয় অনুষ্ঠানবোৰ আছে। যেনে - নামঘৰ।

4. আপুনি বাস কৰা সমাজত বা গাওখনত কেতিয়াবা অনুষ্ঠানবোৰ সমূহীয়াভাৱে অনুষ্ঠিত কৰিণে/নকৰে?

= সন্ধা গাঁওখনত কৰা ক্ষেত্ৰ অধ্যায়নৰ পৰা গম পোৱা গ'ল যে সমাজখনত অনুষ্ঠানবোৰ সমূহীয়াভাৱে বা একেলগে অনুষ্ঠিত কৰা হয়। উদাহৰণ স্বৰূপে - শংকৰ উৎসৱ, বিহু, জন্মাষ্টমী।

5. যদি অনুষ্ঠানবোৰ সমূহীয়াভাৱে অনুষ্ঠিত কৰে আপুনি অংশ গ্ৰহণ কৰেণে?

= প্ৰত্যেক ঘৰ মানুহে অৰ্থাৎ ক্ষেত্ৰ অধ্যয়ন কৰা ৩০ ঘৰ মানুহে সমূহীয়াভাৱে অনুষ্ঠিত কৰা অনুষ্ঠানবোৰত অংশ গ্ৰহণ কৰে।

6. আপুনি সমাজত বৰ্ণ বৈষম্যৰ বলি হ'বলগীয়া হয়নে / নহয়?

= গাঁওখনত কৰা ক্ষেত্ৰ অধ্যায়নৰ পৰা আমি গম পালো যে ৩০ ঘৰ মানুহৰ ভিতৰত এজনে সমাজত মাজে সময়ে বৰ্ণ বৈষম্যৰ বলি হ'বলগীয়া হয় বুলি মত পোষণ কৰিছে। আৰু বাকী ২৯ ঘৰ মানুহে সমাজত বৰ্ণ বৈষম্যৰ বলি হ'বলগীয়া নহয় বুলি মন্তব্য কৰিছে।

7. আপোনাৰ সমাজত অন্ধবিশ্বাস, জাতিৰ ভেদাভেদ আছেনে / নাই?

= ক্ষেত্ৰ অধ্যয়নৰ বাবে লোৱা ৩০ ঘৰ মানুহৰ ভিতৰত ২৯ ঘৰ মানুহে সমাজত অন্ধবিশ্বাস, জাতিৰ ভেদাভেদ নাই বুলি কৈছে। কিন্তু এজনে জাতিৰ ভেদাভেদ থকা বুলি মত পোষণ কৰিছে।

8. আপুনি সমাজত সন্মান সহকাৰে চৰকাৰৰ সকলো সাৰলীকৰণৰ আঁচনিৰ সুবিধা লাভ কৰিছেনে/কৰা নাই?

= ক্ষেত্ৰ অধ্যয়নৰ বাবে লোৱা ৩০ ঘৰ মানুহৰ ভিতৰত ৬ ঘৰে চৰকাৰৰ কিচুমান আঁচনিৰ সুবিধা লাভ কৰিছে। যেনে - চৰকাৰী ঘৰ, ৩ টকীয়া কাৰ্ড, বৃদ্ধ পেন্সন, উজলা গেছ, বাকী ২৪ ঘৰ মানুহে বৰ্তমানলৈ কোনোধৰণৰ সুবিধা লাভ কৰা নাই।

9. আপোনাৰ সমাজখনত মিলাপ্ৰীতি বা একতাৰ বান্ধোন আছেনে / নাই?

= ক্ষেত্ৰ অধ্যয়নৰ বাবে লোৱা ৩০ ঘৰ মানুহে সমাজখনত মিলাপ্ৰীতি থকা বুলি মতপোষণ কৰিছে। তেওঁলোকৰ বিভিন্নধৰণৰ উৎসৱ পাৰ্বন বা বিপদ-আপদ বা সুখ-দুখত এই মিলাপ্ৰীতিৰ বান্ধোন দেখিবলৈ পোৱা যায় বুলি মত পোষণ কৰিছে।

10. আপোনাৰ সমাজত এতিয়াও বাল্যবিবাহ হয়নে?

= প্ৰত্যেক ঘৰ মানুহে অৰ্থাৎ ৩০ ঘৰ মানুহেই তেওঁলোকৰ সমাজখনত বাল্যবিবাহ নহয় বুলি জানিব দিছে।

11. আপুনি বাল্যবিবাহ সমৰ্থন কৰেণে?

= ক্ষেত্ৰ অধ্যয়নৰ বাবে লোৱা ৩০ ঘৰ মানুহেই বাল্যবিবাহ সমৰ্থন নকৰে।

12. আপুনি প্ৰত্যেক বছৰত ভোট দান কৰেণে?

= ক্ষেত্ৰ অধ্যয়নৰ বাবে লোৱা ৩০ ঘৰ মানুহেই প্ৰত্যেকে ভোট দান কৰে বুলি মন্তব্য কৰিছে।

13. আপোনাৰ পৰিয়ালত কোনোবা সদস্য পঞ্চায়ত/বিধানসভা/ লোকসভাৰ প্ৰতিনিধি হৈছে নেকি বা কোনোবা ৰাজনীতিৰ লগত জড়িত নেকি?

= সন্ধা গাঁওখনত ৩০ ঘৰ মানুহৰ ঘৰত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা আমি গম পালো যে ৩০ ঘৰ মানুহৰ ২৭ ঘৰ ৰাজনৈতিক দিশৰ লগত জড়িত নহয়।

14. শ্ৰেণীৰ পাঠ্যক্ৰমৰ লগতে সহপাঠ্যক্ৰমিক শিক্ষাক গুৰুত্বপূৰ্ণ বুলি ভাবেনে / নাভাবে?

= সন্ধা গাঁওখনত ৩০ ঘৰ মানুহৰ ঘৰত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা গম পোৱা গ'ল যে তেওঁলোকে প্ৰত্যেক অৰ্থাৎ ৩০ ঘৰ শ্ৰেণীৰ পাঠ্যক্ৰমৰ লগত সহপাঠ্যক্ৰমিক শিক্ষাক গুৰুত্বপূৰ্ণ বুলি ভাৱে। গাঁওখনত থকা এখন আৰ্টস্কুল হ'ল - Z + Art School

15. আপুনি নিজৰ ধৰ্মীয় পৰম্পৰা আৰু সংস্কৃতি সমাজত কোনো ধৰণৰ বাধা নোহোৱাকৈ পালন কৰিব পাৰিছেনে?

= ক্ষেত্ৰ অধ্যয়নৰ বাবে লোৱা ৩০ ঘৰ মানুহে মত পোষণ কৰিছে যে তেওঁলোকে নিজৰ ধৰ্মীয় পৰম্পৰা আৰু সংস্কৃতি সমাজত কোনো ধৰণৰ বাধা নোহোৱাকৈ পালন কৰিব পাৰে।

**Table No. 2**

| Item | Under Metric | Metric Pass | H.S. Pass | BA/B.Sc./B.Com |
|---|---|---|---|---|
| Total No. | 5 | 9 | 7 | 9 |
| Percentage | 16.67% | 30% | 23.33% | 30% |

1. আপোনাৰ শিক্ষাগত অৰ্হতা কিমান?

= সন্ধা গাঁওখনত ৩০ ঘৰ মানুহৰ ঘৰত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা আমি গম পালো যে, ৩০ ঘৰ মানুহৰ ভিতৰত ৫ ঘৰ মানুহ মেট্ৰিক পৰীক্ষা পাছ নকৰা, ৯ ঘৰ মানুহ মেট্ৰিক পাছ, ৭ ঘৰ মানুহ হায়াৰ ছেকেণ্ডাৰী উত্তীৰ্ণ আৰু বাকী ৯ ঘৰ মানুহ ডিগ্ৰী পাছ। ইয়াত ৩০ ঘৰ মানুহৰ ভিতৰত মেট্ৰিক পাছ আৰু ডিগ্ৰী পাছ কৰাৰ সংখ্যা সমান পোৱা গৈছে।

## Table No. 3

| Item | 0 - 5 | 6 - 10 | 11 - 15 | 16 - 20 | 21 - 25 | % |
|---|---|---|---|---|---|---|
| বিহু | | | | | 21 | 70 % |
| জন্মদিন | 4 | | | | | 13.33 % |
| জন্মাষ্টমী | 2 | | | | | 6.67 % |
| নাম প্ৰসংগ | 3 | | | | | 10 % |

2. আপোনাৰ ঘৰখনৰ প্ৰধান উৎসৱ কি?

= সন্ধা গাঁওখনত ৩০ ঘৰ মানুহৰ ঘৰত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা আমি গম পালো যে, তেওঁলোকৰ ঘৰখনৰ প্ৰধান উৎসৱ বিহু। বিহু প্ৰধান উৎসৱ বুলি ২১ ঘৰে মত পোষণ কৰিছে। জন্মদিন বুলি ৪ ঘৰে মত পোষণ কৰিছে, জন্মাষ্টমী বুলি ২ ঘৰে আৰু নাম প্ৰসংগ বুলি ৩ ঘৰে মন্তব্য প্ৰদান কৰিছে।

## Table No. 4

| Item | 0 - 5 | 6 - 10 | 11 - 15 | 16 - 20 | 21 - 25 | % |
|---|---|---|---|---|---|---|
| শংকৰ উৎসৱ | | | | | 21 | 73.33 % |
| জন্মষ্টমী | 3 | | | | | 10 % |
| বিহু | 3 | | | | | 10 % |
| কাতিমহীয়া উৎসৱ | 1 | | | | | 3.33 % |
| মাঘী পূৰ্ণিমা | 1 | | | | | 3.33 % |

3. আপোনাৰ গাঁওখনৰ প্ৰধান উৎসৱ কি?

= সন্ধা গাঁওখনত ৩০ ঘৰ মানুহৰ ঘৰত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা আমি জানিব পাৰিলো যে, ২২ ঘৰ মানুহৰ মতে গাঁওখনৰ প্ৰধান উৎসৱ হৈছে শংকৰ উৎসৱ, ৩ ঘৰ মানুহৰ মতে, জন্মাষ্টমী হৈছে প্ৰধান উৎসৱ, আকৌ ৩ ঘৰ মানুহৰ মতে, বিহু গৈছে গাঁওখনৰ প্ৰধান উৎসৱ, ১ ঘৰ মানুহৰ মতে মাঘী পূৰ্ণিমা হৈছে গাঁওখনৰ প্ৰধান উৎসৱ। কিন্তু আমি আধাসংখ্যক মানুহৰ মতেই গাঁওখনৰ প্ৰধান উৎসৱ শংকৰ উৎসৱ বুলি মন্তব্য প্ৰদান কৰিছে।

## Table No. 5

4. আপোনাৰ ঘৰখন কোনটো শ্ৰেণীৰ অন্তৰ্গত উন্নত / মধ্যমীয়া / তলৰ শ্ৰেণী ?

| Item | 0 - 5 | 6 - 10 | 11 - 15 | 16 - 20 | 21 - 25 | % |
|---|---|---|---|---|---|---|
| উন্নত | 5 | | | | | 16.67 % |
| মধ্যমীয়া | | | | | 24 | 80 % |
| তলৰ শ্ৰেণী | 1 | | | | | 3.33 % |

4. আপোনাৰ ঘৰখন কোনটো শ্ৰেণীৰ অন্তৰ্গত উন্নত / মধ্যমীয়া / তলৰ শ্ৰেণী?

= আমি সন্ধা গাঁওখনত কৰা ৩০ ঘৰ মানুহৰ ভিতৰত ৫ ঘৰ মানুহ উন্নত শ্ৰেণীৰ, ২৪ ঘৰ মধ্যমীয়া শ্ৰেণীৰ আৰু ১ ঘৰ তলৰ শ্ৰেণী পালো। গাঁওখনৰ প্ৰায়ভাগ মানুহেই মধ্যমীয়া।

## Additional Table No. 1

1. কভিডৰ সময়ত আপোনাৰ সমাজ খনলৈ আপুনি কিবা পদক্ষেপ লৈছিল নে? বা আপোনালোকে পাইছিল নেকি আনৰ পৰা সুবিধা?

| Item | Yes | % | No | % |
|---|---|---|---|---|
| কভিডৰ সময়ত আপোনাৰ সমাজকখনলৈ আপুনি কিবা পদক্ষেপ লৈছিল নে? | 5 | 16.67 % | 25 | |
| আপোনালোকে পাইছিল নেকি আনৰ পৰা সুবিধা | 11 | 36.67 % | 19 | 63.33 % |

1. কভিডৰ সময়ত আপোনাৰ সমাজখনলৈ আপুনি কিবা পদক্ষেপ লৈছিল নে? বা আপোনালোকে পাইছিল নেকি আনৰ পৰা সুবিধা?

= সন্ধা গাঁওখনত ৩০ ঘৰ মানুহৰ ঘৰত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা আমি গম পালো যে, ৫ ঘৰ মানুহ নিজাববীয়াকৈ কভিড মহামাৰীৰ সময়ত তেওঁলোকৰ সমাজখনলৈ সহায় আগবঢ়াইছিল। বাকী ২৫ ঘৰে তেনেকুৱা বিশেষ পদক্ষেপ আগবঢ়োৱা নাই বুলি মত পোষণ কৰিছে।

আকৌ ১১ ঘৰ মানুহে কভিড মহামাৰীৰ সময়ত আনৰ পৰা সুবিধা বা সহায় লাভ কৰা বুলি মন্তব্য প্ৰদান কৰিছে। যেনে - চেনিটাইজাৰ, চাউল, দালি আৰু অন্যান্য আৰু বাকী ১৯ ঘৰে কভিডৰ সময়ত সহায় পোৱা নাই বুলি জনাইছে।

গাঁওখনৰ দুটা প্ৰধান উৎসৱৰ বিষয়ে লিখা হ'ল ঃ-

## 1. শংকৰ উৎসৱ ঃ

শংকৰ জন্মো উৎসৱ হ'ল বৈষ্ণৱ গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম দিৱস। অসমৰ বৈষ্ণৱ ধৰ্মাৱলম্বী লোকসকলে অতি উলহ-মালহেৰে ইয়াক উৎসৱ ৰূপে পালন কৰে। প্ৰতিবছৰে আহিন-কাতি মাহত শংকৰদেৱৰ জন্ম দিনটো শংকৰ উৎসৱ হিচাপে পালন কৰা হয়। এইদিনা ভক্ত সকলে লগ হৈ নামঘৰত নাম প্ৰসংগ কৰে আৰু প্ৰসাদ বিতৰণ কৰে। কোনো কোনো ঠাইত দুইদিনীয়াকৈও এই উৎসৱ পালন কৰা হয়।

১৯৭৪ চনৰ পৰা আজি পৰ্যন্ত নলবাৰী জিলাভিত্তিক সন্ধা শ্ৰীমন্ত শংকৰদেৱ নামঘৰত গুৰুজয়ন্তী পালন কৰি থকা হৈছে। তাহানিৰে পৰা আজিলৈকে সন্ধাবাসীসকলে আহিন-কাতি মাহত পাঁচদিনীয়া কাৰ্যসূচীৰে শংকৰ উৎসৱ পালন কৰি আহিছে।

প্ৰথম দিনা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰ্বিভাৱ মহোৎসৱৰ শুভাৰম্ভ কৰে।

দ্বিতীয় দিনা, প্ৰথমতে শংকৰদেৱৰ নামঘৰত প্ৰাঙ্গণত গছপুলি ৰোপণ কৰে। তাৰপিছত গুৰু আসন সহ ভাগৱত সাংস্কৃতিক শোভাযাত্ৰা কৰে। শোভাযাত্ৰা কৰি আহি সকলো মানুহে মাহ প্ৰসাদ গ্ৰহণ কৰে। সন্ধিয়া সকলোৱে বন্তি প্ৰজ্বলন কৰে। তাৰপিছত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। যেনে - ওজাপালি, প্ৰদৰ্শন, নাম প্ৰসংগ ইত্যাদি।

তৃতীয় দিনাখন, সন্ধা গাঁওৰ আই-মাতৃসকলে নাম প্ৰসংগ কৰে আৰু বিভিন্ন প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়। যেনে - ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, চিত্ৰাংকন, কুইজ প্ৰতিযোগিতা, বৰগীত আৰু লোকগীত প্ৰতিযোগিতা।

চতুৰ্থ দিনাখন, নাম প্ৰসংগ কৰা হয় আৰু অনুষ্ঠান সমূহৰ পুৰস্কাৰ বিতৰণ কৰা হয়। তাৰপিছত সাংস্কৃতিক সন্ধিয়া অনুষ্ঠান পতা হয়।

পঞ্চম দিনাখন নাম প্ৰসংগ কৰে, ভাগৱত পাঠ কৰে। ধৰ্মালোচনী সভা অনুষ্ঠিত কৰে আৰু নাগাৰা নামেৰে এই শংকৰ দেৱৰ জন্ম উৎসৱৰ পাঁচদিনীয়া কাৰ্যসূচীৰ অন্তপৰে।

## 2. জন্মাষ্টমী ঃ

জন্মাষ্টমী হৈছে হিন্দু ধৰ্মৰ ভগৱান বিষ্ণুৰ অষ্টম অৱতাৰ শ্ৰীকৃষ্ণৰ বাৰ্ষিক জন্মোৎসৱ। শ্ৰীকৃষ্ণৰ জন্মদিন অসমীয়া বৈষ্ণৱ ধৰ্মালম্বী লোকসকলে জন্মাষ্টমীৰ দিনা দিনৰ ভাগত মহিলা-ছোৱালীসকলে লাৰু বনাই আৰু ৰাতি দহ মান বজাৰ পৰা কৃষ্ণক সুঁৱৰি মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত নামঘোষা ৰাগ গাই আনন্দত মতলীয়া হয় আৰু ৰাতি বাৰ বজাৰ লগে লগে কৃষ্ণ জন্মহোৱা বুলি কেঁচুৱা সন্তানে কন্দাৰ নিচিনা এটা শব্দ সৃষ্টি কৰে। এই নাম প্ৰসংগ পিছৰ দিনৰ ৰাতিপুৱালৈকে চলে। শেষত সকলোৱে ভগৱানৰ নামত আগবঢ়োৱা শৰাইৰ প্ৰসাদ খায়। পূৰ্বপুৰুষ সকলৰ মতে এই জন্মাষ্টমী নাম গোৱা প্ৰথা বৈষ্ণৱযুগৰ পৰাই চলি আহিছে।

# CHAPTER - 5

# Chapter - 5

## 1. Finding :-

সন্ধা গাঁও খনত কৰা ক্ষেত্ৰ অধ্যয়নৰ পৰা আমি এই কথা গম পালো যে -

ক) গাঁওখনৰ মানুহবোৰ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়া। অভিভাৱক সকলে নিজৰ ল'ৰা-ছোৱালীয়ে ভৱিষ্যৎ চাকৰি, ব্যৱসায় বা সু-নাগৰিক হোৱাটো বিচাৰে। পাঠ্যক্ৰমৰ লগতে সহপাঠ্যক্ৰমিক শিক্ষাক সমানে গুৰুত্বপূৰ্ণ বুলি ভাবে। প্ৰাথমিক শিক্ষাৰ বাতাবৰণ সুস্থ। নাৰী শিক্ষাত ইতিবাচক প্ৰভাৱ পেলাই, নাৰীয়ে শিক্ষাৰ জৰিয়তে বিকাশ আগবাঢ়ি যোৱাটো বিচাৰে।

খ) গাঁওখনৰ মানুহবোৰৰ মাজত এক মিলাপ্ৰীতি সহযোগিতা আছে। উৎসৱ পাৰ্বন সকলোতে সকলোৱে অংশগ্ৰহণ কৰে সমূহীয়া ভাৱে উদ্‌যাপন কৰে। মিলাপ্ৰীতিৰ প্ৰভাৱ বিৰাজমান। গাঁওখনৰ প্ৰত্যেকজন মানুহে সহজ সৰল।

গ) তেওঁলোকে অন্ধবিশ্বাসত বিশ্বাসী নহয়। গতিশীল সমাজ ব্যৱস্থাৰ লগত সমানে আগবাঢ়ি গৈ আছে। বৰ্ণ বৈষম্যৰ প্ৰস্তাৱ তেনেকুৱাকৈ দেখিবলৈ পোৱা নাযায়। মুঠতে এক ইতিবাচক প্ৰভাৱে আগুৰি আছে।

ঘ) ৰাজনৈতিক দিশতো এক সুস্থ পৰিৱেশ গঢ় লৈ উঠা দেখা যায়। তেওঁলোক সকলোৱে ৰাজনৈতিক ভাৱে সুস্থ। ভোট প্ৰদানৰ ক্ষেত্ৰত সু-নাগৰিকৰ কৰ্তব্য পালন কৰি আহিছে।

ঙ) সন্ধা গাঁওখনৰ প্ৰধান উৎসৱ হৈছে শংকৰ উৎসৱ। শংকৰ উৎসৱ পাঁচদিনীয়া ভাৱে পালন কৰে। নিজৰ সংস্কৃতি, পৰম্পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ সমস্যাৰ সন্মুখীন নহয়। সকলোৱে সহযোগহে কৰে।

সন্ধা গাঁওত ক্ষেত্ৰ কৰা অধ্যয়নৰ পৰা আমি ওপৰোক্ত দিশ সমূহৰ কথা ভালকৈ জানিবলৈ সক্ষম হৈছো।

## 2. Conclusion (সামৰণি) ঃ-

মানুহে সভ্যতা লাভ কৰাৰ পিছৰে পৰাই সমাজ পাতি বসবাস কৰি আহিছে। মানুহ সামাজিক প্ৰাণী সমাজ অবিহনে মানুহ কেতিয়াও সম্পূৰ্ণ ভাৱে বিকশিত হ'ব নোৱাৰে। সমাজ হৈছে মানৱ জাতিৰ এনেকুৱা এটা অংশ যাক কেতিয়াও এৰাই চলিব নোৱাৰি। মানুহৰ দৈনন্দিন জীৱনত চলিবলৈ লাগতিয়াল সকলো বস্তু যেনে - মানুহৰ আচাৰ-ব্যৱহাৰ, জীৱন-ধাৰণৰ শৈলী, ধৰ্ম, সংস্কৃতি, ভাষা, সাহিত্য আদি সকলো বস্তুৰ বিকাশ আৰু প্ৰসাৰ হয় সমাজত।

সমাজত মানুহে কিছু নীতি-নিয়মৰ মাজেৰে বসবাস কৰে। ইজনে সিজনে নিজৰ সংস্কৃতি, পৰম্পৰা, সাজপাৰ, খাদ্যবাস আন এজনৰ লগত বিলাই আৰু এনেকৈ প্ৰসাৰ কৰে নিজৰ জাতিৰ সংস্কৃতিবোৰ আৰু আন জাতিৰ সংস্কৃতিবোৰ শিকি লয়।

সমাজ ব্যৱস্থাই য'ত থিতাপী লয় অৰ্থনীতি, ৰাজনীতি, সংস্কৃতি ইত্যাদি দিশবোৰো তাতেই থিতাপী লয়। ঠিক তেনেদৰেই নলবাৰী জিলাত অৱস্থিত সন্ধা গাঁওখনো ইয়াৰ ব্যতিক্ৰম নহয়; ইয়াতেও সমাজৰ সকলোবোৰ দিশ আছে।

উক্ত এই অধ্যয়নটোৰ যথেষ্ট তাৎপৰ্য আছে। মই এই অধ্যয়নটো কৰিবলৈ নলবাৰী জিলাৰ সন্ধা গাঁওৰ ৩০ ঘৰ মানুহ বাচি লৈছিলো। এই ৩০ ঘৰ মানুহৰ ওপৰত অধ্যয়ন কৰি এই গাঁওখনৰ বিষয়ে বহুতো কথা জানিব শিকিব পাৰিলোঁ। ইয়াৰ শৈক্ষিক পৰিৱেশ, নাৰী শিক্ষা, প্ৰাথমিক শিক্ষা, সমাজৰ অন্ধবিশ্বাস, বাল্যবিবাহ আদিৰ ওপৰত যথেষ্ট ইতিবাচক প্ৰভাৱ আছে। সন্ধা গাঁওখনৰ প্ৰত্যেকজন লোকেই সহজ-সৰল। গাঁওখনৰ সহজ-সৰল মানুহৰ মাজত ফুটি উঠে নিজৰ সমাজ ব্যৱস্থাৰ প্ৰভাৱ।

ইয়াৰ প্ৰায় ভাগ মানুহ শিক্ষিত। ইয়াত বিদ্যালয়ৰ অৱস্থা, প্ৰাথমিক শিক্ষাৰ অৱস্থা ভাল, সমাজত অন্ধবিশ্বাসৰ প্ৰভাৱ প্ৰায় নাই। নাৰী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে। সমাজখনে সমাজৰ কু-প্ৰথা, বাল্যবিবাহ আদিৰ দৰে প্ৰথাক সমৰ্থন নকৰে আনকি গাঁওখনত বাল্যবিবাহ নাই বুলিয়েই ক'ব পাৰি।

সংস্কৃতি দিশ সমূহত আগবঢ়া। সমাজত সকলোৱে একতাৰ বান্ধোনেৰে বান্ধ খাই নিজৰ সংস্কৃতি আনৰ লগত আদান-প্ৰদান কৰে। সন্ধা গাঁওখনৰ বেছি সংখ্যক শংকৰী সম্প্ৰদায়ৰ মানুহে বসবাস কৰে। ইয়াৰ প্ৰধান উৎসৱ হ'ল শংকৰ উৎসৱ। এই সমাজত যিকোনো উৎসৱ পাৰ্বনত সমাজৰ সকলো লোকেই একত্ৰিত হৈ সহযোগিতাৰে উদ্‌যাপন কৰে।

ইয়াৰ মানুহবোৰ যদিও অৰ্থনৈতিক ভাৱে সবল নহয়, তথাপিও তেওঁলোক মনেৰে সবল। ইয়াৰ মনুহৰ আচাৰ-ব্যৱহাৰ অতিকৈ সুস্থ ধৰণৰ। গাঁও অধিসংখ্যক মানুহ মধ্যবিত্ত শ্ৰেণীৰ অন্তৰ্গত।

গাঁওখনৰ মানুহবোৰে পাঠ্যপুথিৰ শিক্ষাৰ উপৰিও সহপাঠ্যক্ৰমিক শিক্ষাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰে।

এই সমাজে শৈক্ষিক, শাৰীৰিক, মানসিক, আৱেগিক আদি সকলোবোৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

এই অধ্যয়নৰ যথেষ্ট শৈক্ষিক তাৎপৰ্য আছে। কিয়নো এই অধ্যয়নৰ জৰিয়তে মানৱ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশবোৰক সামৰি লৈছে।

# Bibliography (গ্ৰন্থপঞ্জী)


১। ভূঞা দে. চ. আৰু নাথ আ. চ. (১৯৮৯), "সমাজতত্ত্ব পৰিচয়।" ভৱানী বুকচ, পানবজাৰ

২। ভূঞা দে. চ. আৰু নাথ আ. চ. (১৯৮৯), "স্নাতক, সমাজতত্ব পৰিচয়।" নতুন বজাৰ ডিব্ৰুগড়।

৩। কলিতা গ. ঠা. (১৯৯৩), "শিক্ষা সমাজ বিজ্ঞান"। বনলতা, ডিব্ৰুগড়

৪। শইকীয়া উ. (২০০০), "সমাজতত্ত্ব পৰিচয়"। অৰোৰা ফাইন আৰ্টছ, বামুণীমৈদাম

৫। শইকীয়া উ. (২০০২), "সমাজতত্ত্ব পৰিচয়"। অৰোৰা ফাইন আৰ্টছ, বামুনীমৈদাম

৬। ড° ডেকা বী. (২০১২), "শিক্ষা সমাজবিজ্ঞান"। অশোক বুক ষ্টল, গুৱাহাটী

৭। ড° ডেকা বী. (২০১৫), "শিক্ষাতত্ত্ব"। অশোক বুক ষ্টল, গুৱহাটী

৮। ড° বড়া কৃ. কু. (২০১৬) "সামাজিক নৃতত্ত্বৰ পৰিচয়"। বুক লেন্দ পাব্লিকেচন, পানবজাৰ

৯। আলি হ আৰু মেধি বি. কু. (২০১৬) "সামাজিক নৃতত্ত্ব সম্ভেদ"। পূৰ্বায়ন পাব্লিকেচন, জালুকবাৰী

১০। নায়ক প্ৰ. চ আৰু ড° শইকীয়া জ্যো. (২০১৮), "সাধাৰণ সমাজতত্ত্ব"। বুকচ পাব্লিচাৰ, গুৱহাটী

১১। ড° কলিতা উ. ড° চহৰীয়া সো. ব. আৰু শৰ্মা অ. (২০১৯), "শিক্ষাৰ নীতি"। অৰোৰা ফাইন আৰ্টছ, বামুনীমৈদাম

১২। ড° দাস দি. চ. (২০১৯) "ৰাজনৈতিক তত্ত্ব", অশোক বুক ষ্টল, পানবজাৰ, গুৱাহাটী

# Questionnaire (প্ৰশ্নসূচী)

ক) **সন্ধা গাঁওৰ মানুহবোৰৰ শৈক্ষিক দিশসমূহৰ অধ্যয়ন ঃ-**

১। আপোনাৰ শিক্ষাগত অৰ্হতা কিমান?

২। আপোনাৰ ঘৰত শিক্ষিত মানুহ আছেনে/নাই?

৩। আপোনাৰ ঘৰত শিক্ষিত পুৰুষৰ সংখ্যা কিমান আৰু মহিলাৰ সংখ্যা কিমান?

৪। আপোনাৰ ঘৰখনত শিক্ষা লাভ কৰা শিশুৰ সংখ্যা কিমান? আৰু তেওঁলোকে ভৱিষ্যৎ কি হোৱাটো বিচাৰে?

৫। আপোনাৰ গাঁওখনৰ মানুহবোৰ শিক্ষা ক্ষেত্ৰত উন্নতনে/মধ্যমীয়ানে/পিছপৰা?

৬। আপোনাৰ মতে সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আছেনে/নাই?

৭। আপোনাৰ সমাজত প্ৰাথমিক শিক্ষাৰ বাতাবৰণ কেনেকুৱা?

৮। শ্ৰেণীৰ পাঠ্যক্ৰমৰ লগতে সহপাঠ্যক্ৰমিক শিক্ষাক গুৰুত্বপূৰ্ণ বুলি ভাবেনে/নাভাৱে?

খ) **সন্ধা গাঁওৰ মানুহৰ মাজৰ বিভিন্ন ধৰণৰ সংস্কৃতিৰ দিশ সমূহৰ অধ্যয়ন ঃ-**

৯। আপোনাৰ ঘৰখনৰ প্ৰধান উৎসৱ কি?

১০। আপুনি নিজৰ ধৰ্মীয় পৰম্পৰাপৰা আৰু সংস্কৃতি সমাজত কোনো ধৰণৰ বাধা নোহোৱাকৈ পালন কৰিব পাৰিছেনে?

১১। আপোনাৰ সমাজত ধৰ্মীয় অনুষ্ঠানবোৰ আছেনে/নাই?

১২। আপুনি বাস কৰা সমাজত বা গাঁওখনত কেতিয়াবা অনুষ্ঠানবোৰ সমূহীয়াভাৱে অনুষ্ঠিত কৰেণে/নকৰে।

১৩। যদি অনুষ্ঠানবোৰ সমূহীয়া ভাৱে অনুষ্ঠিত কৰে আপুনি অংশ গ্ৰহণ কৰেণে/নকৰে?

১৪। আপোনাৰ গাঁওখনৰ প্ৰধান উৎসৱ কি?

গ) **সন্ধা গাঁওৰ মানুহৰ মাজত সামাজিক দিশ সমূহৰ অধ্যয়ন ঃ-**

১৫। আপুনি সমাজত বৰ্ণ বৈষম্যৰ বলি হ'বলগীয়া হয়নে/নহয়?

১৬। আপোনাৰ সমাজত অন্ধবিশ্বাস, জাতিৰ ভেদাভেদ আছেনে/নাই?

১৭। আপুনি সমাজত সন্মান সহকাৰে চৰকাৰৰ সকলো সমাজ সাৱলীকৰণৰ আঁচনিৰ সুবিধা লাভ কৰিছেনে/কৰা নাই?

১৮। আপোনাৰ সমাজখনত মিলাপ্ৰীতি বা একতাৰ বান্ধোন আছেনে/নাই?

১৯। আপোনাৰ সমাজত এতিয়াও বাল্যবিবাহ হয়নে?

২০। আপুনি বাল্যবিবাহ সমৰ্থন কৰেণে?

২১। আপোনাৰ ঘৰখন কোনটো শ্ৰেণীৰ অন্তৰ্গত উন্নত / মধ্যমীয়া / তলৰ শ্ৰেণী?


ঘ) **সন্ধা গাঁওৰ মানুহৰ মাজত ৰাজনৈতিক দিশসমূহৰ অধ্যয়ন ঃ-**


২২। আপুনি প্ৰত্যেক বছৰত ভোট দান কৰণে?


২৩। আপোনাৰ পৰিয়ালত কোনোবা সদস্য পঞ্চায়ত / বিধানসভা / লোকসভাৰ প্ৰতিনিধি হৈছে নেকি বা কোনোবা ৰাজনীতিকৰ লগত জড়িত নেকি?


২৪। সমাজত আপুনি ৰাজনৈতিক ভাৱে সুৰক্ষিতনে?

# Photo Gallery (ছবি)





+ ART SCHOOL
GPS Map Camera
Sondha, Assam, India
CFXC+JJR, Sondha, Assam 781337, India
Lat 26.449322°
Long 91.470287°
27/02/23 02:27 PM GMT +05:30


GPS Map Camera
Sondha, Assam, India
CFXC+JJR, Sondha, Assam 781337, India
Lat 26.449322°
Long 91.470287°
27/02/23 12:19 PM GMT +05:30


GPS Map Camera
Sondha, Assam, India
CFXC+JJR, Sondha, Assam 781337, India
Lat 26.449322°
Long 91.470287°
27/02/23 10:58 AM GMT +05:30